যি ব্যক্তিয়ে ছোৱাব লাভৰ নিয়্যতেৰে নিজৰ পৰিয়ালৰ ওপৰত ব্যয় কৰে, তেওঁ চাদাক্বাৰ ছোৱাব পায়।

আবু মাছঊদ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যি ব্যক্তিয়ে ছোৱাব লাভৰ নিয়্যতেৰে নিজৰ পৰিয়ালৰ ওপৰত ব্যয় কৰে, তেওঁ চাদাক্বাৰ ছোৱাব পায়।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যেতিয়া কোনো ব্যক্তিয়ে নিজৰ পৰিয়ালৰ লোকসকলৰ ওপৰত ব্যয় কৰে যেনে- স্ত্ৰী, মাতা-পিতা, সন্তান-সন্ততি আদিৰ ওপৰত, যিসকলৰ ওপৰত ব্যয় কৰাটো তাৰ কৰ্তব্য, যদি সি আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিবলৈ তথা ছোৱাব অৰ্জনৰ নিয়্যতেৰে কৰে তেন্তে সি নিশ্চয় চাদাক্বা কৰাৰ ছোৱাব লাভ কৰিব।

https://sunnah.global/hadeeth/as/show/6460